بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ জানুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**একাগ্ৰতা আৰু আনুগত্য আৰু বিশ্বাসৰ অধিকাৰী কিছুমান বদৰি চাহাবাৰ জীৱন চৰিত সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি কেইজন মান বদৰি চাহাবা সকলৰ বিষয়ে বৰ্ণনা কৰা হ'ব। তাৰে প্ৰথমজন চাহাবী হ'ল হজৰত আবুল বাবা বিন আব্দুল মনজৰ (ৰাঃ) এখেত (ৰাঃ)ৰ বিষয়ে আৰু বিভিন্ন ৰিৱায়ত আছে। আল্লামা ইবনে বাৰিয়ে নিজৰ ৰচিত পুথি আলইছতেয়াবত লিখিছে যে হজৰত আব্দুল্লাহ বিন আববাছ (ৰাঃ)য়ে কোৰ-আন মজিদৰ আয়াত **ওৱা আখাৰুনা তাৰাফু বিজুনুবিহিম খালাতু আমালান চালিহাও ওৱা আখাৰা ছায়য়িআন** অৰ্থাৎ আৰু কিছুমান আছে যি সকলে নিজৰ গোনাহ স্বীকাৰ কৰি লয়। সিহঁতে উত্তম আমল আৰু বেয়া আমকল মিলাই দিয়ে। উক্ত আয়াত সম্পৰ্কে কৈছিল যে এই আয়াত আবু লবাবা (ৰাঃ)য়ে তেখেতৰ সাত, আঠজন লগৰীয়া সকলৰ বাবে অৱতীৰ্ণ হৈছে, কাৰণ তেওঁলোকে তবুকৰ যুদ্ধত পিছত বৈ গৈছিল। কিন্তু পিছত তেখেত সকলে এনেদৰে কৰাটো ভুল হৈছে বুলি অনুশোচনা কৰি খোদা তা'লাৰ ওচৰত তওবা কৰে আৰু নিজকে নিজে খুটিৰ সৈতে বান্ধি ৰাখে। সিহঁতৰ উত্তম আমল আছিল তওবা কৰা আৰু সিহঁতৰ বেয়া আমল আছিল জিহাদলৈ পিছে বৈ যোৱা।

মজমুৱা বিন জাৰিয়াত উল্লেখ আছে যে হজৰত উনেছ বিন কাতাদাহ (ৰাঃ)ৰ শ্বাহাদাতৰ পিছত তেখেতৰ পত্নী হজৰত খানছা বিনতে খিদাম (ৰাঃ)ৰ দেউতাকে তাইক মুজিনা কবিলাৰ এজন লোকৰ সৈতে বিয়া পাতি দিয়ে। কিন্তু খানছা (ৰাঃ)য়ে লোক জনক পছন্দ কৰা নাছিল, সেয়ে আঁহজৰত (ছাঃ)য়ে তাইৰ সেই বিয়া বাতিল কৰি দিয়ে। ইয়াৰ পিছত হজৰত আবু লবাবা (ৰাঃ)য়ে খানছা বিনতে খিদাম (ৰাঃ)ক বিয়া কৰাই লয়

আৰু তাইৰ গৰ্ভত হজৰত ছায়েব বিন আবু লবাবা (ৰাঃ)ৰ জন্ম হয়। আব্দুল্লাহ বিন আবু ইয়াজিদে কৈছে যে মই হজৰত আবু লবাবা (ৰাঃ)ৰ সৈতে তেখেতৰ ঘৰলৈ গৈছিলো, তাত গৈ দেখিছিলো যে এজন লোকে ফটা-ছিঙা কাপোৰ পিন্ধি বহি আছে, তেখেতে কৈছিল যে মই আঁহজৰত (ছাঃ)ৰ পৰা শুনিছো যে যিজন ব্যক্তিয়ে কোৰ-আন কৰিম সুৰীয়া মাতেৰে নপঢ়ে তেওঁ আমাৰ মাজত (মোৰ লগত) নহয়।

আন এজন চাহাবী হ'ল হজৰত আবুল জিয়াহ বিন ছাবিত বিন নুমান (ৰাঃ)। এটা ৰিৱায়ত অনুযায়ী বদৰৰ যুদ্ধৰ দিনাখন এখেতৰ ভৰিৰ গোড়ালিত জোঙা শিল গুটিৰ আঘাত লগাত যুদ্ধৰ পৰা ওভতি আহিব লগা হৈছিল। তথাপি ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত (ৰাঃ)ৰ কাৰণে গনিমতৰ মালৰ অংশ ৰখা হৈছিল।

ইয়াৰ পিছৰ জন চাহাবাৰ নাম হ'ল হজৰত আনছা মাওলা (ৰাঃ)। ইমাম জুহেৰিয়ে বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)য়ে তেখেতৰ লগত সাক্ষাৎ কৰিবলৈ অহা সকলক নামাজে জহৰৰ পিছত আহি মিলিবলৈ অনুমতি প্ৰদান কৰিছিল।

ইয়াৰ পিছত হজৰত মৰছদ বিন আবি মৰছদ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। ইমৰান বিন মনাহ কৈছে যে যেতিয়া আবু মৰছদ (ৰাঃ)আৰু তেখেতৰ পুতেক মৰছদ বিন আবি মৰছদ (ৰাঃ)য়ে মদিনাৰ ফালে হিজৰত কৰিছিল তেতিয়া তেওঁলোক দুয়োজনে হজৰত কলছুম বিন হিদম (ৰাঃ)ৰ ঘৰত অৱস্থান কৰে। মহম্মদ বিন উমৰে কৈছে যে এখেত (ৰাঃ)য়ে উহুদৰ যুদ্ধত যোগদান কৰিছিল। হজৰত আবু মৰছদ কান্নাজ (ৰাঃ) হজৰত আবু হামজা (ৰাঃ)ৰ সমবয়সীয়া আৰু বন্ধু আছিল। হজৰত আবু মৰছদ (ৰাঃ) আৰু তেখেতৰ পুত্ৰ হজৰত মৰছদ (ৰাঃ) দুয়োজনেই বদৰৰ যুদ্ধত যোগদান কৰাৰ সৌভাগ্য লভিছিল।

ইয়াৰ পিছত আন এজন চাহাবী হ'ল হজৰত আবু মৰছদ (ৰাঃ) কান্নাজ বিন আল হুছেইন আল গনোবী। ৰবিউল আউৱাল ২ হিজৰী চনত আঁহজৰত (ছাঃ)য়ে ত্ৰিছ উট আৰোহী মুহাজেৰিণ সকলৰ এটা দল নিজৰ খুৰাদেউ হজৰত হামজা বিন আব্দুল মুবালিব (ৰাঃ)ৰ নেতৃত্বত মদিনাৰ পৰা পূৱ ফালে থকা ছেউফ আল বহৰলৈ ৰাওনা কৰে। তাতে মক্কাৰ চৰ্দাৰ আবু জাহিলৰ তিনি শ আৰোহীৰ এটা সৈন্য দলৰ মুখামুখী হয়। দুয়োটা সৈন্য দলেই যুদ্ধৰ বাবে শাৰীবদ্ধ হৈ পৰে এনেতে সেই অঞ্চলৰ চৰদাৰ মজদি বিন উমৰ আলজেহেলি আৰু এজন চৰ্দাৰ মঈদী বিন উমৰুল জুহুনীয়ে আহি এই দুয়োটা দলৰ মাজত মীমাংসা কৰি দিয়াত যুদ্ধ সংঘটিত নহয়। এই অভিযান হামজা বিন আব্দুল মুতালিবৰ যুদ্ধ নামাৰে খ্যাত। হজৰত আবু মৰছদ (ৰাঃ)য়েও এই অভিযানত চামিল আছিল। ৰিৱায়তত উল্লেখ আছে যে নবী কৰিম (ছাঃ)য়ে সৰ্বপ্ৰথম হজৰত হামজা (ৰাঃ)ৰ বাবে পতাকা বান্ধিছিল আৰু এই অভিযানত হজৰত হামজা (ৰাঃ)ৰ পতাকা হজৰত আবু মৰছদ (ৰাঃ)য়ে উত্তোলণ কৰি গৈছিল।

ইয়াৰ পিছত আছে হজৰত ছেলিত বিন আমৰ (ৰাঃ) সম্পৰ্কে বৰ্ণনা। আনছাৰৰ কবিলা খজৰজৰ এটা শাখা বনু আদি বিন নজাৰৰ সৈতে হজৰত ছেলিত বিন কায়েছ বিন আমৰ (ৰাঃ)ৰ সম্পৰ্ক আছিল। মক্কা বিজয় আৰু হুনায়েনৰ যুদ্ধৰ সময়ত আনছাৰৰ কবিলা বনু মজিনৰ পতাকা হজৰত ছেলিত বিন কায়েছৰ হাতত আছিল। তেৰ হিজৰী আৰু কিছুমানৰ মতে ১৪ হিজৰীৰ আৰম্ভণীত হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত

মুছলমান আৰু ফাৰ্চীয়ান সকলৰ মাজত জছ্ৰ নামক এখন যুদ্ধ সংঘটিত হয়। সেই যুদ্ধত দুহেজাৰ ইৰাণী সৈন্যই মৃত্যু বৰণ কৰে। আন কিছুমান ৰিৱায়ত অনুযায়ী ছয় হাজাৰ ইৰাণী সৈন্য মৃত্যু মুখত পৰে বুলি উল্লেখ পোৱা যায়। এনেদৰে কিছুমানৰ মতে ওঠৰ শ, নাইবা চাৰি হাজাৰ মুছলমানও শ্বহীদ হোৱা বুলি উল্লেখ আছে। এই শ্বহীদ সকলৰ মাজত হজৰত ছেলিত বিন কায়েছ (ৰাঃ)য়েও চামিল আছিল।

ইয়াৰ পিছত হজৰত মজযৰ বিন জিয়াদ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। হজৰত মজযৰ বিন জিয়াদ (ৰাঃ)য়ে অজ্ঞতাৰ যুগত ছুয়েদ বিন ছামতক হত্যা কৰিছিল। পিছত হজৰত মজযৰ (ৰাঃ) আৰু হজৰত হাৰিছ বিন ছুয়েদ (ৰাঃ)য়ে সদায় নিজৰ দেউতাকৰ হত্যাৰ পোতক তুলিবলৈ সুযোগ সন্ধানী আছিল। উহুদৰ যুদ্ধ ময়দানত যেতিয়া কুৰাইছ সকলে ওভতি আহি মুছলমান সকলৰ ওপৰত আকৌ আক্ৰমণ চলাইছিল তেতিয়া হাৰিছ বিন ছুয়েদে ছেগ চাই পিছৰ পৰা আহি হজৰত মজযৰ (ৰাঃ)ৰ ডিঙিত তৰোৱালেৰে হানি শ্বহীদ কৰি দিয়ে। লগে লগে হজৰত জিব্ৰাইল (আঃ)য়ে আহি আঁহজৰত (ছাঃ)ক জনাইছিল যে হাৰিছ বিন ছুয়েদে প্ৰৱঞ্চনাৰে হজৰত মজযৰ (ৰাঃ)ক হত্যা কৰিছে আৰু লগতে আঁহজৰত (ছাঃ)ক আদেশ দিয়ে যে তেখেত (ছাঃ)য়ে হাৰিছক মজযৰ (ৰাঃ)ৰ হত্যাৰ অপৰাধত যেন মৃত্যু দিয়ে। গতিকে আঁহজৰত (ছাঃ)ৰ নিৰ্দেশত হজৰত ওয়েম বিন ছাআদা (ৰাঃ)য়ে মছজিদ কুবাৰ দুৱাৰ মুখত হাৰিছ বিন ছোয়েদক হত্যা কৰিছিল।

এতিয়া আন এজন চাহাবা হজৰত ৰিফাআ বিন ৰাফে বিন মালিক বিন আজলাল (ৰাঃ)য়ে নিজৰ মাহীয়তী ভাই মুৱাজ বিন আফৰা (ৰাঃ)ৰ লগত মক্কালৈ যায় আৰু ছানিয়া পাহাৰৰ ওচৰত নামি যোৱাৰ লগে লগে এজন লোকক দেখিবলৈ পায়। তেখেতেই আছিল আঁহজৰত (ছাঃ), এওঁলোকে তেখেত (ছাঃ)ক চিনি পোৱা নাছিল আৰু আঁহজৰত (ছাঃ)কেই সুধিছিল যে নবুয়তৰ দাবী কৰোতা ব্যক্তিজন ক'ত আছে? তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল- সেইজন ব্যক্তি মই। আমি তেখেত (ছাঃ)ক সুধাত তেখেত (ছাঃ)য়ে ইছলাম সম্পৰ্কে কিছু কথা কৈছিল। হজৰত ৰিফাআ (ৰাঃ)য়ে বায়তুল্লাহ তোয়াফ কৰিবলৈ যায় আৰু দোৱা কৰে। তাৰ পিছত এখেত (ৰাঃ)য়ে কলিমা পাঠ কৰি ইছলাম গ্ৰহণ কৰে।

হজৰত ৰিফাআ (ৰাঃ)য়ে কৈছে যে এদিন আমি ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে মছজিদত বহি আছিলো এনেতে এজন বেদুইন লোকে আহি নামাজ পঢ়ি নবী কৰিম (ছাঃ)ক ছালাম দিয়ে। আঁহজৰত (ছাঃ)য়ে ছালামৰ উত্তৰ দিয়ে আৰু কয় যে নামাজ তুমি আকৌ পঢ়ি লোৱা। তেতিয়া লোকজনে গৈ আকৌ নামাজ পঢ়ে আৰু ওভতি আহি ছালাম কৰে। আঁহজৰত (ছাঃ)য়ে লোক জনক আকৌ নামাজ পঢ়িবলৈ কয়। এনেদৰে দুই তিনিবাৰ কৰাৰ পিছত সেই লোকজনে কৈছিল- মোক নামাজ পঢ়া শিকাই দিয়ক। তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে যেতিয়া তুমি নামাজ পঢ়িবলৈ সিদ্ধান্ত ল'বা তেতিয়া আগতে আল্লাহৰ নিৰ্দেশ অনুযায়ী অজু কৰি ল'বা। তাৰ পিছত যদি কোৰাণ মুখস্থ আছে তেন্তে সেয়া পঢ়িবা, তাৰ পিছত ধীৰস্থিৰে ৰুজু কৰিব, তাৰ পিছত আকৌ পোন হৈ থিয় দিবা আৰু পিছত অতি নম্ৰভাৱে ছিজদাহ কৰিবা। আকৌ স্থিৰ হৈ বহিবা। আকৌ ছিজদাহ কৰিবা আৰু উঠি থিয় হ'বা। যদি তুমি ইখিনিতে কিবা কম কৰা তেন্তে সেয়াই তোমাৰ নামাজত কম হ'ব।

ইয়াৰ পিছত হজৰত আছিদ বিন মালিক বিন ৰাৱিয়া (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। ইবনে

ইছহাক কৈছে যে আবু আছিদ বিন মালিক বিন ৰাবিয়া (ৰাঃ)য়ে বদৰৰ যুদ্ধত যোগদান কৰিছিল। যেতিয়া এখেত (ৰাঃ)ৰ শেষ বয়সত দৃষ্টি শক্তি নোহোৱা হৈ পৰে তেতিয়া সি কৈছিল যে যদি মই আজি বদৰ প্ৰান্তত থাকিলোহেঁতেন আৰু মোৰ শক্তি ঠিক থালিকে হয় তেন্তে মই তোমাক সেই ঘাটি দেখুৱালোহেঁতেন য'ৰ পৰা ফিৰিস্তা বিলাকে ওলাই আহিছিল। মোৰ এই সম্পৰ্কে অলপো সন্দেহ নাই। হজৰত আবু আছিদ বিন মালিক বিন বনু ছালমা গোত্ৰৰ এজন ব্যক্তি তালৈ আহে আৰু কয় যে মাক দেউতাৰ মৃত্যুৰ পিছতও তেওঁলোকৰ লগত সুন্দৰ আচৰণ কৰাৰ প্ৰয়োজন আছেনে? উত্তৰত আঁহজৰত (ছাঃ)য়ে কৈছিল তেওঁলোকৰ নিমিত্তে দোৱা কৰিলে, ইস্তেগফাৰ কৰিলে, তেওঁলোকৰ লোৱা প্ৰতিশ্ৰুতি পূৰ্ণ কৰিলে, তেওঁলোকৰ আত্মীয় সকলক দয়া কৰিলে, তেওঁলোকৰ বৈ যোৱা বন্ধু বৰ্গক সন্মান কৰিলে, তেওঁলোকেও (মাক দেউতাকে) নেকি লাভ কৰি থাকে আৰু তেওঁলোকৰ ক্ষমাৰ উপায় ওলায়।

উচমান বিন আৰকম (ৰাঃ)য়ে নিজৰ দেউতাকৰ পৰা বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)য়ে বদৰৰ যুদ্ধৰ দিনাখন কৈছিল যে তোমালোকৰ ওচৰত যিবোৰ মালে গনিমত আছে সেইবোৰ এৰি দিয়া। তেতিয়া হজৰত আবু আছিদ আলছাদিয়ে আয়েজল মৰজবানৰ তৰোৱাল নিজৰ ওচৰতে ৰাখিছিল আৰু হজৰত আৰকম (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত সেই তৰোৱাল ৰাখিছিল আৰু হজৰত আৰকম (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত সেই তৰোৱাল খুজিছিল। আঁহজৰত (ছাঃ)য়ে সেই তৰোৱাল আবু আছিদৰ পৰা লৈ আনি আৰকম (ৰাঃ)ক দিছিল।

ইয়াৰ পিছৰ জন চাহাবী হ'ল হজৰত আব্দুল্লাহ বিন আব্দুল আছাদ (ৰাঃ)। আঁহজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ক এখন পতাকা প্ৰদান কৰি বনু আছিদক দমন কৰিবলৈ ডেৰ শ মুহাজেৰিণ আৰু আনছাৰৰ এটা দল অভিযানলৈ পঠাইছিল। এখেত (ৰাঃ)য়ে বদৰ আৰু উহুদৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল। হজৰত আব্দুল্লাহ বিন আব্দুল আছাদে উহুদৰ যুদ্ধত বাহুত আঘাত প্ৰাপ্ত হোৱাত ও জমাদিল আখিৰ মাহত ৪ হিজৰীত মৃত্যু বৰণ কৰে।

ইয়াৰ পিছৰ জন চাহাব হ'ল হজৰত খাল্লাদ বিন ৰাফে আলজৰকি (ৰাঃ) আনছাৰৰ কবিলা বনু খজৰজৰ এটা শাখা আজলানৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। আঁহজৰত (ছাঃ)য়ে যিজন ব্যক্তিক দুই তিনিবাৰ নামাজ ঘূৰাই ঘূৰাই পঢ়িবলৈ নিৰ্দেশ দিছিল, তেওঁৱেই আছিল হজৰত খাল্লাদ বিন ৰাফে (ৰাঃ)।

এতিয়া হজৰত আবাদ বিন বশিৰ (ৰাঃ)ৰ বিষয়ে প্ৰাপ্ত কিছু কথা বৰ্ণনা কৰা হ'ব। খন্দকৰ যুদ্ধৰ সময়ত এখেত (ৰাঃ)য়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে হজৰত আবদা বিন বশিৰ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ নিৰ্দেশত যুদ্ধকালীন অৱস্থাত আবু ছুফিয়ান আৰু তাৰ কেইজনমান লগৰীয়া মুশৰিক সকলৰ মুখামুখী হয় আৰু তেওঁলোকক ওভতি যাবলৈ বাধ্য কৰে। যুদ্ধ চলাকলীন অৱস্থাত হজৰত আবদা বিন বশিৰ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)য়ে থকা তামীঘৰ ৰক্ষণা-বেক্ষণ কৰাৰ আৰু নিৰাপত্তা ৰক্ষী হিচাপে দায়িত্ব লাভ কৰে। হজৰত উম্মে ছলমা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে আল্লাহ তা'লা আবাদা বিন বশিৰৰ বাবে কৃপা কৰক, সি ৰছুলে কৰিম (ছাঃ)ৰ চাহাবা সকলৰ মাজত আটাইতকৈ বেছি তেখেত (ছাঃ)ৰ তামিঘৰৰ নিৰাপত্তাৰ বাবে যত্ন লৈছিল।

আন এজন চাহাবা হ'ল হজৰত হাতব বিন আবি বুলতা (ৰাঃ)। এখেত ৬৫ বছৰ বয়সত ত্ৰিশ হিজৰিত

মদিনাত মৃত্যু বৰণ কৰে। হজৰত উচমান (ৰাঃ)য়ে এখেত (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল। ইয়াকুব বিন উতবাৰ পৰা বৰ্ণিত আছে যে হাতব বিন আবি বুলতা (ৰাঃ)য়ে মৃত্যুৰ দিনাখনলৈ চাৰি হাজাৰ ডিনাৰ এৰি থৈ গৈছে। এবাৰ এখেত (ৰাঃ)ৰ এজন গোলামে এখেতৰ বিৰুদ্ধে আঁহজৰত (ছাঃ)ৰ ওচৰত অভিযোগ দাখিল কৰিছিল আৰু কৈছিল হাতব নিশ্চয় জাহান্নামত প্ৰৱেশ কৰিব। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল তই মিছা মাতিছা, সি তাতে কেতিয়াও প্ৰৱেশ নকৰিব কাৰণ তেওঁ বদৰৰ যুদ্ধ আৰু হুদায়বিয়াৰ সন্ধিত চামিল আছিল।

খোতবাৰ সামৰণিত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আৰু কিছুমান বদৰি চাহাবা সকলৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ’ব। (আমীন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 27 JANUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**